**হনুমান প্ৰসাদ**

**বনাম**

**ভাৰত চৰকাৰ আৰু আন এজন**

**৬ ছেপ্টেম্বৰ, ১৯৯৬**

**[মাননীয় ন্যায়াধীশ কে ৰামস্বামী আৰু জি.বি. পট্টনাইক]**

***সেৱা আইন***

*নিৰ্বাচন - টিকট সংগ্ৰাহকৰ পদ – নিযুক্তিৰ বাবে পৰীক্ষা - তালিকা প্ৰস্তুত - পৰৱৰ্তী সময়ত পৰীক্ষাৰ পূৰ্বেই প্ৰশ্ন-কাকত ফাদিল হোৱা আৰু পৰীক্ষাত লিখিতভাৱে কৰা অসৎকাৰ্যৰ ভিত্তিত পৰীক্ষাটো বাতিল কৰা - পৰীক্ষা বাতিল কাৰ্যক ন্যায়াধিকৰণৰ আগত প্ৰত্যাহ্বান - ন্যায়াধিকৰণে পৰীক্ষা বাতিল কাৰ্যক বাহল ৰখা- এই সংক্ৰান্তত দখিল কৰা আপীলত পৰীক্ষা বাতিল কাৰ্যক বৈধ বুলি ঘোষনা কৰা।*

মহাৰাষ্ট্ৰ ৰাজ্যিক মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা ব'ৰ্ড বনাম কে.এছ. গান্ধী আৰু অন্যান্য [১৯৯১] ২ এছচিচি ৭১৬ গোচৰৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

আশা কৌল আৰু অন্য এজন বনাম জম্মু আৰু কাশ্মীৰ আৰু অন্যান্য, [১৯৯৩] ২ এছচিচি ৫৭৩ গোচৰটো প্ৰযোজ্য নহয় বুলি ধৰা হৈছে।

মহিন্দৰ সিং গিল আৰু অন্য এজন বনাম মুখ্য নিৰ্বাচন আয়ুক্ত, নতুন দিল্লী আৰু অন্যান্য [১৯৭৮] ১ এছচিচি ৪০ গোচৰটো উল্লেখ কৰা হৈছে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: বিশেষ অনুমতিৰ আবেদন(দেৱানী) নং ১৬৯০৪/১৯৯৬।

এলাহাবাদস্থিত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰকণে গোচৰ নং অ. এ. ৯৫৯/১৯৯৫ত দিয়া ১৫.৭.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

আবেদনকাৰীৰ হৈ এছ. বি. সন্যাল, ৰাজ কুমাৰ গুপ্তা, এইচ. পি. শৰ্মা আৰু ৰাজেশ।

আদালতে তলত দিয়া ধৰণে আদেশ দিয়ে :

এই বিশেষ অনুমতি আবেদন কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, এলাহাবাদ বিচাৰপীঠে মূল আবেদন নং ৯৫৯/১৯৯৫ত দিয়া আদেশৰ বিৰুদ্ধে উত্থাপন হয়৷ এইটো স্বীকাৰ্য যে লক্ষ্ণৌ সংমণ্ডলত গ্ৰুপ 'চি' পদত ৯৫০–১৫০০ টকা দৰমহা নিৰিখত ৪৮ জন টিকেট সংগ্ৰাহকক নিযুক্তিৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰি ১৯৯৪ চনৰ ১৯ জুলাইত এখন অধিসূচনা জাৰি কৰা হৈছিল । পৰীক্ষাত অৱতীৰ্ণ হোৱা ৮০০ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ১০৬ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচিত তালিকাত স্থান লাভ কৰিছিল, কিন্তু পৰৱৰ্তী সময়ত পৰীক্ষাৰ অনুষ্ঠিত কৰাৰ আগতেই প্ৰশ্ন–কাকত ফাদিল হোৱা আৰু পৰীক্ষাত লিখিতভাৱে কৰা অসৎকাৰ্যৰ ওপৰত ভিত্তি কৰি উক্ত তালিকাখন বাতিল কৰা হয়৷ পৰীক্ষা বাতিল কাৰ্যক ন্যায়াধিকৰণৰ আগত প্ৰত্যাহ্বান জনোৱা হয়। ন্যায়াধিকৰণে পৰীক্ষা বাতিল কাৰ্যক বাহল ৰাখে৷ সেয়েহে, এই বিশেষ অনুমতি আবেদন দাখিল কৰা হৈছে৷

আবেদনকাৰীসকলৰ হৈ হাজিৰ হোৱা জ্যেষ্ঠ অধিবক্তা শ্ৰী সান্যালই তিনি ধৰনৰ যুক্তি উত্থাপন কৰিছে৷ প্ৰথমতে, নিৰ্বাচিত তালিকাখন বাতিল কৰাৰ বাবে মাণ্ডলিক মেনেজাৰ যোগ্য কৰ্তৃপক্ষ নাছিল, জেনেৰেল মেনেজাৰহে যোগ্য কৰ্তৃপক্ষ আছিল। উক্ত যুক্তিটো যথোপযুক্ত বুলি আমাৰ বিবেচনা হোৱা নাই৷ মাণ্ডলিক মেনেজাৰক জেনেৰেল মেনেজাৰৰ দ্বাৰাও জেনেৰেল মেনেজাৰৰ কাৰ্য্য সম্পাদন কৰিবলৈ ক্ষমতা প্ৰদান কৰিব পাৰি। সেয়েহে, তেওঁ বাছনি তালিকা বাতিল কৰাৰ কাৰ্য্য সম্পাদন কৰিছিল বুলি ক'ব পাৰি। ইয়াৰ পিছত এই যুক্তি উত্থাপন কৰা হয় যে যিহেতু আদেশটোৱে কোনো কাৰণ দেখুওৱা নাই, সেয়েহে ই আইনত বেয়া। ইয়াৰ সমৰ্থনত, তেওঁ মহিন্দৰ সিং গিল আৰু অন্য এজন বনাম মুখ্য নিৰ্বাচন আয়ুক্ত, নতুন দিল্লী আৰু অন্যান্য (১৯৭৮) ১এছচিচি ৪০৫, গোচৰত দিয়া ৰায়দান, বিশেষকৈ ৮ নং অনুচ্ছেদত উল্লেখ কৰা এই আদালতৰ সিদ্ধান্তৰ ওপৰত দৃঢ়ভাৱে নিৰ্ভৰ কৰে৷ এইটো সঁচা যে যেতিয়া কোনো আদেশ গৃহীত কৰা হয়, সেয়া প্ৰশাসনিক বা অৰ্ধ–ন্যায়িক প্ৰকৃতিৰ হওক, তেতিয়া অৱশ্যেই তাত গ্ৰহণ কৰা ব্যৱস্থাটো বাতিল কৰাৰ ভিত্তি বা কাৰণ থাকিব৷ পৰৱৰ্তী সময়ত কৰ্তৃপক্ষই তেওঁলোকৰ কাৰ্য্যসমূহ শপতনামাৰ জৰিয়তে বা অন্য ধৰণে ব্যাখ্যা কৰিব

নোৱাৰে। সেয়েহে, এই আদালতে জোৰ দি কৈছিল যে বিধিবদ্ধ ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত দিয়া ৰাজহুৱা নিৰ্দেশত কাৰণ থাকিব লাগে আৰু নিৰ্দেশটোত তেওঁলোকে গ্ৰহণ কৰা পদক্ষেপ অন্তৰ্ভুক্ত থাকিব লাগে। সেয়েহে, আদেশত স্থান নোপোৱা যিকোনো শপতনামা বা অন্যান্য কাৰ্য্যৰ সন্দৰ্ভত তেওঁলোকক তেওঁলোকৰ কাৰ্য্য বা আদেশৰ বিষয়বস্তু সলনি কৰিবলৈ অনুমতি দিব নোৱাৰি। এই ক্ষেত্ৰত, কৰ্তৃপক্ষই সৰলভাৱে বাছনি তালিকা বাতিল কৰিছিল। মহাৰাষ্ট্ৰ ৰাজ্যিক মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ বনাম কে. এছ. গান্ধী আৰু অন্যান্য (১৯৯১) ২ এছ. চি. চি. ৭১৬ গোচৰত এই আদালতে ৰায় দিছিল যে যদি পৰীক্ষা বাতিল কৰা নিৰ্দেশটো গৃহীত হয়, তেন্তে নথিত কাৰণ উল্লেখ কৰিব লাগে, যদিও নিৰ্দেশটোত ৰায়দানৰ ২১ নং অনুচ্ছেদত উল্লেখ কৰা কাৰণসমূহ থাকিব নোৱাৰে। সেই ক্ষেত্ৰত, এইটো ধাৰণা কৰা হৈছিল যে নিৰ্দেশটোত কাৰণ অন্তৰ্ভুক্ত নাছিল আৰু নথিয়ে একেই ইংগিত দিছিল। সৰ্বত্ৰে নকল কৰাৰ অভিযোগ থকা পৰীক্ষাটো বাতিল কৰা প্ৰশাসনিক আদেশ অব্যাহত ৰখা হৈছিল।

এইটো দেখা গৈছে যে অসৎকাৰ্য সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত বিষয়টো তদন্তৰ বাবে চিবিআইলৈ প্ৰেৰণ কৰা হৈছিল। চিবিআইয়ে প্ৰাথমিক প্ৰতিবেদন দাখিল কৰিছে য'ত পৰীক্ষাত লিখিতভাৱে এই অসৎকাৰ্য সংঘটিত হোৱাৰ ইংগিত পোৱা গৈছে। তেওঁলোকে চূড়ান্ত প্ৰতিবেদনলৈ অপেক্ষা কৰাৰ প্ৰয়োজন নাই যিটো হ'ব ভুল কৰা বিষয়াসকলৰ বিৰুদ্ধে পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা। সেয়েহে, এইটো এনে এক গোচৰ য'ত তদন্তকাৰী সংস্থাই দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত কৰ্তৃপক্ষই সিদ্ধান্ত গ্ৰহণ কৰিছে, য'ত পৰীক্ষাটোত লিখিতভাৱে কৰা অসৎকাৰ্যৰ অভিযোগৰ সমৰ্থনত প্ৰমাণ আছে। গতিকে বাতিলৰ আদেশত কোনো কাৰণ নাই বুলি ক'ব নোৱাৰি।

ইয়াৰ পিছত যুক্তি দিয়া হয় যে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ইয়াৰ ওপৰত নিশ্চিত অধিকাৰ নাথাকিলেও তেওঁলোকৰ এটা যুক্তিসংগত বিশ্বাস বা আশা আছিল যে তেওঁলোকক নিযুক্তি দিয়া হ'ব যিহেতু তেওঁলোকক বাছনি কৰা হৈছিল। তেওঁলোকক আগতীয়াকৈ সুযোগ দিব লাগে আৰু বাতিল কৰাৰ কাৰণো জানিব লাগে। এই যুক্তিৰ সমৰ্থনত, তেওঁ আশা কৌল আৰু আন এজন বনাম জম্মু আৰু কাশ্মীৰ আৰু অন্যান্য, ১৯৯৩, ২ এছচিচি ৫৭৩ গোচৰৰ ৮ নং অনুচ্ছেদৰ ওপৰত এই আদালতৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰে। এইটো আচৰিত নহয় যে যেতিয়া যথাযথভাৱে গঠন কৰা বাছনি সমিতি

এখনে নিৰ্বাচিত প্ৰাৰ্থীসকলক কোনো চাকৰিৰ বাবে নিযুক্তিৰ বাবে পৰামৰ্শ দিয়ে, তেতিয়া নিয়ম অনুসৰি আনুষ্ঠানিকভাৱে নিযুক্তি নোপোৱালৈকে প্ৰাৰ্থীসকলে স্বয়ংক্ৰিয়ভাৱে চাকৰিটো নাপায়। গতিকে, তেওঁলোকক নিৰ্বাচিত হ'লেও নিযুক্তি দিয়া সংস্থাই চূড়ান্ত নকৰালৈকে তেওঁলোকে যে চাকৰি পাবই তাৰ কোনো নিশ্চয়তা নাথাকে। এই ক্ষেত্ৰত চৰকাৰে কোনো কাৰণ নোহোৱাকৈ বাছনি তালিকাখন বাতিল কৰিছিল। এই আদালতে সেই পটভূমিত উপৰোক্ত নিয়মটো নিৰ্ধাৰণ কৰে। ইয়াৰ অনুপাতৰ কোনো প্ৰয়োগ নাই কাৰণ অনুসন্ধানকাৰী সংস্থাৰ দ্বাৰা দাখিল কৰা প্ৰতিবেদন পৰীক্ষা কৰাৰ পিছত, উপযুক্ত কৰ্তৃপক্ষই বাছনি তালিকা বাতিল কৰিছিল যাতে নিয়মীয়া আৰু সঠিক পৰীক্ষা অনুষ্ঠিত কৰিব পাৰে আৰু সকলোকে নিৰপেক্ষভাৱে সুযোগ প্ৰদান কৰিব পাৰে। সৰ্বত্ৰে নকল কৰাৰ ক্ষেত্ৰত কোনো আগতীয়া সুযোগ দিয়াৰ প্ৰয়োজন নাই। এইটো এনকুৱা এটা বিষয় নহয় য'ত কোনো নিৰ্দিষ্ট নাম উল্লেখ কৰা প্ৰাৰ্থীয়ে নকল কৰিছিল। সেই অনুসৰি, আমি ন্যায়াধিকৰণে প্ৰদান কৰা নিৰ্দেশত কোনো অবৈধতা বিচাৰি পোৱা নাই। সেয়েহে, বিশেষ অনুমতি আবেদনখন নাকচ কৰা হ'ল। আবেদন নাকচ কৰা হ'ল।

অনুবাদক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক